# অসম মীন উন্নয়ন নিগম লিমিটেড ঃঃ গুৱাহাটী

(নিবিদাকাৰীক সংলগ্ন নিয়মাৱলীৰ সকলো দফা ভালদৰে পঢ়ি-বুজি নিবিদা প্ৰ-পত্ৰ পূৰণ কৰিবলৈ অনুৰোধ কৰা হ'ল)

## মীন মহল পৰিচালনাৰ অনুজ্ঞাপত্ৰৰ নিবিদা

মীনমহলৰ নাম ঃ ..........................................................................................................................

নিবিদা দাখিলৰ অন্তিম
তাৰিখ আৰু সময় ঃ তাৰিখ........................................................ সময়.......................................................................

নিবিদা দাখিলৰ স্থান ঃ মুখ্য কাৰ্যালয়,
অসম মীন উন্নয়ন নিগম লিমিটেড
মাদাৰ টেৰেছা পথ, জু-ৰোড তিনিআলি
গুৱাহাটী - ২৪

নিবিদা খোলাৰ তাৰিখ
আৰু সময় ঃ তাৰিখ........................................................ সময়.......................................................................

নিবিদা খোলাৰ স্থান ঃ মুখ্য কাৰ্যালয়,
অসম মীন উন্নয়ন নিগম লিমিটেড
মাদাৰ টেৰেছা পথ, জু-ৰোড তিনিআলি
গুৱাহাটী - ২৪

নিবিদা আহ্বায়ক ঃ পৰিচালন সঞ্চালক
অসম মীন উন্নয়ন নিগম লিমিটেড
গুৱাহাটী - ২৪

নিগমৰ মোহৰ
প্ৰ-পত্ৰ দিয়াৰ তাৰিখ ঃ ..............................................

আগষ্ট/১৩

# অসম মীন উন্নয়ন নিগম লিমিটেড ঃঃ গুৱাহাটী

## মীন মহলৰ নিবিদা জাননী আৰু কাৰ্যকৰীকৰণৰ নিয়মাৱলী


| | | | পৃষ্ঠা নং |
|---|---|---|---|
| ১. নিবিদা জাননী সম্পৰ্কত | .................. | .................. | ১ |
| ২. কোনে নিবিদা দিব পাৰিব | .................. | .................. | ২ |
| ৩. নিবিদা প্ৰপত্ৰ সম্পৰ্কত | .................. | .................. | ২ |
| ৪. নিবিদা পূৰণ কৰা সম্পৰ্কীয় | .................. | .................. | ২ |
| ৫. আমানত ধন | .................. | .................. | ৩ |
| ৬. নিবিদা জমা দিয়া | .................. | .................. | ৪ |
| ৭. নিবিদা খোলাৰ সময় | .................. | .................. | ৪ |
| ৮. নিবিদা পৰীক্ষা আৰু নিৰ্বাচন | .................. | .................. | ৪ |
| ৯. নিৰ্বাচিত নিবিদাকাৰীলৈ প্ৰস্তাৱ | .................. | .................. | ৫ |
| ১০. বিল পট্টনৰ চৰ্ত্তসমূহ | | | |
| ১০.১. বিল পট্টনৰ সময় সীমা | .................. | .................. | ৫ |
| ১০.২ বিলৰ দখল চমজি দিয়া | .................. | .................. | ৫ |
| ১০.৩ ৰাজহ সম্পৰ্কীয় | .................. | .................. | ৫ |
| ১০.৪ বিল উন্নয়ন/সংৰক্ষণ সম্পৰ্কীয় | .................. | .................. | ৬ |
| ১০.৫ মাছমৰীয়াৰ স্বাৰ্থ সম্পৰ্কীয় | .................. | .................. | ৮ |
| ১০.৬ উপভোক্তা সম্পৰ্কীয় | .................. | .................. | ৮ |
| ১০.৭ অন্যান্য | .................. | .................. | ৮ |
| ১১. চুক্তি সম্পৰ্কত মতান্তৰ | .................. | .................. | ৯ |
| ১২. নিবিদা প্ৰপত্ৰ | .................. | .................. | ১০ |

প্ৰস্তাৱনা

অসম মীন উন্নয়ন নিগম লিমিটেডৰ মুখ্য উদ্দেশ্য হ'ল মীনমহল উন্নয়ন কৰা আৰু অনুসূচিত জাতিৰ (বৰাক উপত্যকাৰ মাইমল সম্প্ৰদায়কে ধৰি) মাছমৰীয়াসকলৰ আৰ্থ-সামাজিক উন্নয়ন কৰা। এই দৃষ্টিভংগীৰে নিগমৰ অধীনত থকা মুঠ ১৮৪ খন মীনমহলৰ পৰিচালনাৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰি অহা হৈছিল যদিও মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰীট আপীল নং ২৬০/৯৯ৰ বিপৰীতে যোৱা ৯-৮-৯৯ তাৰিখে দিয়া নিৰ্দেশৰ প্ৰসংগ লৈ যোৱা ৪-৪-০১ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায় সাৰোগত কৰি যোৱা ১৪-৯-০১ আৰু ২৬-৩-০২ তাৰিখে নিগমৰ সঞ্চালক মণ্ডলীৰ সভাই নিগমৰ মীনমহলৰ পৰিচালনাৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰিছিল। উক্ত নীতি-নিয়ম অনুসাৰে নিগমৰ মীনমহলসমূহ পৰিচালনা কৰাৰ ব্যৱস্থা কৰি অহা হৈছে যদিও সদ্যহতে বৰ্তমান পৰিস্থিতিৰ লগত সামঞ্জস্য ৰাখিবলৈ নিগমৰ মীনমহলৰ পৰিচালনাৰ চৰ্ত্তাৱলীসমূহ সংশোধন কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ৪-৪-০১ তাৰিখে দিয়া ৰায় অনুসৰি মীনমহলত মাছৰ উৎপাদন বৃদ্ধি আৰু ১৯৫৩ চনৰ মীন অধিনিয়মৰ মূল লক্ষ্যক আলোকপাত কৰি মীন মহলৰ পৰিচালনা চৰ্ত্তাৱলী সংশোধনৰ দৃষ্টিভংগীৰে তলত দিয়া চৰ্ত্তাৱলীসমূহ প্ৰস্তুত কৰা হৈছে।

এই চৰ্ত্তাৱলী প্ৰস্তুত কৰোতে মীনমহলৰ মাছমৰীয়াসকলে মীনমহলৰ উন্নয়ন আৰু মাছৰ উৎপাদন বৃদ্ধিৰ হেতু প্ৰয়োজনীয় ধনৰ বাবে যাতে মধ্যভোগীৰ আশ্ৰয় ল'ব লগা নহয়, তাৰ বাবে বেংকৰ ঋণ লোৱাত উৎসাহ যোগোৱাৰ ব্যৱস্থা কৰা হৈছে।

এই সংশোধনীৰ দ্বাৰা নিগমৰ মীনমহলসমূহত মাছৰ উৎপাদন বৃদ্ধিৰ বাবে ল'ব লগা ব্যৱস্থাৰ ওপৰত প্ৰাধান্য দিয়া হৈছে আৰু মৎস্যপালক তথা মাছমৰীয়াসকল যাতে লাভবান হয় তাৰ ওপৰত দৃষ্টি দিয়া হৈছে।

১. নিবিদা জাননী

১.১ নিগমৰ অধীনস্থ মীনমহলসমূহ পৰিচালনাৰ বাবে নিবিদা আহ্বান কৰি অনুজ্ঞা পত্ৰ দিয়া হ'ব। নিবিদা অবিহনে কোনো কাৰণতেই পোনপটীয়াকৈ বিল পৰিচালনাৰ বাবে অনুজ্ঞা পত্ৰ দিয়া নহ'ব।

১.২ নিবিদা জাননী বিলখন যি অঞ্চলত অৱস্থিত সেই অঞ্চলত বহুলভাবে প্ৰচাৰিত দৈনিক কাকতত প্ৰকাশ কৰা হ'ব।

১.৩ নিবিদা জাননী নিবিদা দাখিলৰ কমেও পোন্ধৰ (১৫) দিন আগতে প্ৰকাশ কৰা হ'ব।

১.৪ নিবিদা জাননী দৈনিক কাকতৰ উপৰিও বহুল প্ৰচাৰাৰ্থে মীন সঞ্চালকৰ কাৰ্যালয়, সংশ্লিষ্ট জিলা মীন উন্নয়ন বিষয়াৰ কাৰ্যালয়, সংশ্লিষ্ট জিলা উপায়ুক্তৰ কাৰ্যালয়, সংশ্লিষ্ট মহকুমাধিপতিৰ কাৰ্যালয়, সংশ্লিষ্ট মীনমহল পৰিচালকৰ কাৰ্যালয়লৈও প্ৰেৰণ কৰা হ'ব। ইয়াৰোপৰি নিগমৰ মুখ্য কাৰ্যালয়ৰ জাননী ফলকতো নিবিদা জাননী আঁৰি দিয়া হ'ব।

১.৫ প্ৰতি বছৰৰ ৩১ মাৰ্চত শেষ হ'ব লগা বিলৰ নিবিদা জাননী সেই বছৰৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰতে প্ৰকাশ কৰা হ'ব। অৱশ্যে যিবিলাক বিলৰ পট্টন বাতিল কৰা হয় বা অন্য কাৰণত বছৰৰ মাজ ভাগতে শেষ হয়, তেনে বিলৰ ক্ষেত্ৰত বছৰৰ অন্য মাহতো চৰ্ত্ত ১.২ আৰু ১.৩-ত উল্লেখ থকাৰ দৰে জাননী প্ৰকাশ কৰা হ'ব পাৰে।

*নিবিদাকাৰীৰ চহী*

২. কোনে নিবিদা দিব পাৰিব

২.১ যিখন বা যিকেইখন জিলাত মীন মহলখন অৱস্থিত, সেই জিলা বা জিলাকেইখনৰ নিম্নোলিখিত ব্যক্তি/সংগঠনসমূহে নিবিদা দিব পাৰিব।

২.১.১ এশ শতাংশ অনুসূচীত জাতিৰ বৃত্তিগত মাছমৰীয়াৰে গঠিত পঞ্জীভুক্ত মীন সমবায় সমিতি।

২.১.২ অনুসূচীত জাতিৰ মীনপালক।

২.১.৩ অনুসূচীত জাতিৰ বৃত্তিগত মাছমৰীয়া ব্যক্তি।

২.১.৪ অবিভক্ত কাছাৰ জিলাৰ এশ শতাংশ মাইমল সম্প্ৰদায়ৰ বৃত্তিগত মাছমৰীয়াৰে গঠিত মীন সমবায় সমিতি।

২.১.৫ অবিভক্ত কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ বৃত্তিগত মাছমৰীয়া ব্যক্তি।

৩. নিবিদা প্ৰ-পত্ৰ (সংলগ্ন কৰি দিয়া হৈছে— পৃষ্ঠা নং ১০)

৩.১ নিগমৰ পৰা নিৰ্দিষ্ট মূল্যৰ বিনিময়ত যোগান ধৰা নিগমৰ মোহৰযুক্ত প্ৰ-পত্ৰতহে নিবিদা দিব পাৰিব।

৩.২ নিবিদা প্ৰ-পত্ৰ নিগমৰ মুখ্য কাৰ্যালয় গুৱাহাটী আৰু সংশ্লিষ্ট বিল পৰিচালকৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

৪. নিবিদা পূৰণ সম্পৰ্কীয়

৪.১ নিবিদাৰ প্ৰ-পত্ৰ তলত দিয়া তথ্য, প্ৰমাণ পত্ৰ সহ সম্পূৰ্ণকৈ পূৰণ কৰি দাখিল কৰিব লাগিব।

৪.১.১ প্ৰ-পত্ৰত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত নিবিদাকাৰীৰ শেহতীয়া ফটো। নিবিদাকাৰী সমবায় সমিতি হ'লে তেনে সমিতিৰ কাৰ্যবাহী কমিটিৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত শেহতীয়া ফটো।

৪.১.২ নিবিদাকাৰী সমবায় সমিতি হ'লে নিবিদা দাখিল কৰা ব্যক্তিজনক তেনে সমবায় সমিতিৰ কাৰ্যবাহী কমিটিয়ে নিবিদা দাখিল কৰিবলৈ কৰ্তৃত্ব দিয়া যাবতীয় প্ৰস্তাৱৰ প্ৰত্যায়িত নকল কপি।

৪.১.৩ নিগমে মীনমহলখনৰ প্ৰথম বছৰৰ বাবে ধাৰ্য কৰা ন্যূনতম মূল্যৰ ২৫% ৰাজহ আমানত ধন হিচাবে নিগমক জমা দিব লাগিব।

৪.১.৪ মীন বিভাগৰ সংশ্লিষ্ট জিলা মীন উন্নয়ন বিষয়া/সংশ্লিষ্ট মহকুমা মীন উন্নয়ন বিষয়া/নিগমৰ বিলৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত নকল কপি।

৪.১.৫ অনুসূচীত জাতি/মাইমল সম্প্ৰদায়ৰ লোক হোৱাৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত নকল কপি।

৪.১.৬ মীন সমবায় সমিতি হ'লে পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত নকল কপি।

৪.১.৭ জিলা উপায়ুক্ত/মহকুমাধিপতিৰ পৰা বাকীজাইমুক্ত প্ৰমাণপত্ৰৰ প্ৰত্যায়িত নকল কপি। নিবিদাকাৰী সমবায় সমিতি হ'লে সমবায় সমিতিৰ নামত বাকীজাই মুক্ত প্ৰমাণপত্ৰ হ'ব লাগিব। বাকীজাই মুক্ত প্ৰমাণপত্ৰ নিবিদা গ্ৰহণৰ বছৰৰ আগৰ বিত্তীয় বছৰৰ পিচত বিলি (Issue) কৰা হ'ব লাগিব। কোনো নিবিদাকাৰী নিগম আৰু চৰকাৰৰ বাকীদাৰ হ'লে নিবিদা বিবেচিত নহ'ব। নিবিদাকাৰীৰ লগতে তেওঁৰ একান্নভুক্ত পৰিয়ালৰ আন কোনো ব্যক্তিও নিগম আৰু চৰকাৰৰ বাকীদাৰ হ'লে নিবিদা বিবেচিত নহ'ব। এই ক্ষেত্ৰত একান্নভুক্ত পৰিয়াল বুলিলে নিবিদাকাৰীৰ ওপৰত নিৰ্ভৰশীল মাক, দেউতাক, অবিবাহিত ভাতৃ-ভগ্নী আৰু নিবিদাকাৰীৰ অবিবাহিত পুত্ৰ-কন্যাকো বুজাব।

নিবিদাকাৰীৰ চহী

৪.১.৮ নিবিদাকাৰীয়ে নিবিদাৰ লগত সংলগ্ন কৰি দিয়া আৰ্হিমতে এখন শপতনামা দাখিল কৰিব লাগিব। (পৃষ্ঠা- ১১ মতে)

৪.১.৯ নিবিদাৰ প্ৰ-পত্ৰ ক্ৰয় কৰোতে নিগমৰ পৰা দিয়া ৰচিদৰ ফটোকপি দিব লাগিব।

৪.২ নিবিদা চৰ্ত্ত ৪.১-ত উল্লেখিত তথ্য, প্ৰমাণ পত্ৰ সহ এটা খামৰ ভিতৰত ভৰাই বন্ধ কৰি বন্ধ খামৰ ওপৰত যিখন বিলৰ বাবে নিবিদা দিয়া হৈছে সেইখন বিলৰ নাম আৰু নিবিদাকাৰীৰ নাম লিখা থাকিব লাগিব।

৪.৩ নিবিদাকাৰীয়ে নিবিদা দিব বিচৰা মীনমহলখনৰ কায়িক অৱস্থিতি আদি চৰজমিনত পৰীক্ষা কৰি চাই নিবিদা দাখিল কৰিব লাগিব আৰু সেয়েহে মীনমহলৰ কালি, চাৰিসীমা, বেদখল আদি বিষয়ক লৈ পট্টনৰ সময়ছোৱাত হ'ব পৰা যিকোনো লোকচানক লৈ নিগমক দায়ী কৰিব নোৱাৰিব।

৪.৪ নিবিদাকাৰীয়ে প্ৰতি বছৰৰ বাবে সমপৰিমাণৰ ৰাজহ আগবঢ়াব লাগিব। সম পৰিমাণৰ ৰাজহ বুলিলে প্ৰথম বিত্তীয় বছৰত নিবিদা দিয়া তাৰিখৰ পৰা উক্ত বছৰৰ শেষলৈকে অৰ্থাৎ ৩১ মাৰ্চলৈ ৰাজহ ধৰি তাৰ লগত পৰৱৰ্তী ছয়টা সম্পূৰ্ণ বিত্তীয় বছৰৰ ৰাজহ যোগ দি সাতেৰে হৰণ কৰি উলিওৱা গড় ৰাজহকে বুজাব।

৪.৫ নিবিদাকাৰীয়ে আগবঢ়োৱা ৰাজহৰ পৰিমাণ সংখ্যা আৰু আখৰেৰে লিখিব লাগিব। সংখ্যা আৰু আখৰেৰে লিখা ৰাজহৰ পৰিমাণৰ কিবা অমিল হ'লে আখৰেৰে লিখা ৰাজহৰ পৰিমাণ বৈধ বুলি গণ্য হ'ব।

৫. আমানত ধন

৫.১ নিগমে মীন মহলখনৰ বাবে ধাৰ্য কৰা প্ৰথম বছৰৰ ন্যুনতম মূল্যৰ ২৫% ৰাজহ আমানত ধন হিচাবে কল ডিপোজিত/বেংক ড্ৰাফ্‌ট/বেংকাৰ' চেকৰ জৰিয়তে নিবিদাৰ লগত দিব লাগিব।

৫.২ অকৃতকাৰ্য হোৱা নিবিদাকাৰীৰ আমানত ধন আবেদন সাপেক্ষে ঘূৰাই দিয়া হ'ব।

৫.৩ নিৰ্বাচিত নিবিদাকাৰীৰ আমানত ধন অনুজ্ঞাপত্ৰৰ ম্যাদ শেষ হোৱাৰ পিচত মোকলাই দিয়া হ'ব, যদিহে চুক্তিপত্ৰৰ সকলো চৰ্ত সুচাৰুৰূপে পালন কৰে।

৫.৪ আমান ধন নিম্নোক্ত কাৰণত সংযোজন বা বাজেয়াপ্ত কৰা হ'ব—

৫.৪.১ নিবিদা খোলাৰ পিছত নিবিদা উঠাই ল'লে।

৫.৪.২ চুক্তিপত্ৰৰ যিকোনো চুক্তি ভঙ্গ কৰিলে।

৫.৪.৩ চৰ্ত ৪.৫ মৰ্মে পট্টন ল'বলৈ অস্বীকাৰ কৰিলে।

৫.৪.৪ নিৰ্বাচিত নিবিদাকাৰীয়ে নিগমে নিৰ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত প্ৰথম কিস্তিৰ ৰাজহ জমা নিদিলে বা চুক্তিপত্ৰ সম্পাদন নকৰিলে।

৫.৪.৫ নিৰ্বাচিত নিবিদাকাৰীয়ে নিজে দাখিল কৰা হাৰত পট্টন ল'বলৈ অস্বীকাৰ কৰিলে।

৫.৪.৬ কোনো ক্ষেত্ৰত বিলত পোনা মাছ মেলা নতুবা অন্যান্য কাৰণত নিগমে দিয়া আগধন সময়মতে পৰিশোধ নকৰিলে।

৫.৪.৭ জৰিমনাসহ কিস্তি আদায়ৰ সময়সীমা পাৰ হ'লে আমানত ধন অনাদায় ৰাজহৰ কিস্তিৰ লগত সংযোজন কৰা হ'ব আৰু অনুজ্ঞাপত্ৰ নাকচ কৰা হ'ব। এনেদৰে সংযোজন কৰাৰ পাছতো যদি আমানত ধন ৰাহী থাকে তেনেহ'লে ৰাহী থকা আমানত ধন বাজেয়াপ্ত কৰা হ'ব।

*নিবিদাকাৰীৰ চহী*

৬. নিবিদা জমা দিয়া

৬.১ নিগমৰ মুখ্য কাৰ্যালয়ৰ নিবিদা জমা লোৱা বাকচত নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত নিবিদা জমা দিব লাগিব।

৬.২ স্পষ্টভাৱে কাৰণ উল্লেখ কৰি দৈনিক বাতৰি কাকতত চৰ্ত্ত ১.২-ত উল্লেখ কৰা মতে বিজ্ঞাপন দি যিকোনো বিলৰ নিবিদা দাখিলৰ তাৰিখ দহ দিন বঢ়াই দিয়াৰ অধিকাৰ নিগমৰ থাকিব।

৬.৩ নিবিদা গ্ৰহণৰ নিৰ্দ্ধাৰিত দিনাখন কোনো কাৰণবশতঃ নিগমৰ মুখ্য কাৰ্য্যালয় বন্ধ হ'লে ইয়াৰ পৰৱৰ্তী কাৰ্য্যালয় খোলা দিনত পূৰ্বৰ নিৰ্দ্ধাৰিত সময় অনুযায়ী নিবিদা গ্ৰহণ কৰা হ'ব।

৭. নিবিদা খোলাৰ সময়

৭.১ নিবিদা দাখিলৰ নিৰ্দ্ধাৰিত সময় পাৰ হোৱাৰ লগে লগে নিবিদা বাকচ বন্ধ কৰা হ'ব। নিবিদাসমূহ নিবিদাকাৰী নতুবা তেওঁলোকৰ এজন কৰ্তৃত্বপ্ৰাপ্ত অধিবক্তাৰ উপস্থিতিত নিবিদা গ্ৰহণ কৰাৰ সময় অতিক্ৰম কৰাৰ পিছত উক্ত দিনাই খোলা হ'ব।

৭.২ নিবিদাৰ সৈতে দিয়া তথ্যপাতি নিবিদা খোলাৰ সময়তে ঘোষণা কৰা হ'ব আৰু তথ্যসমূহ নিগমে লিপিবদ্ধ কৰিব। নিবিদাকাৰী বা তেওঁলোকৰ প্ৰতিনিধি যিসকলে বিচাৰে নিগমে প্ৰস্তুত কৰা তুলনামূলক বিবৃতিত চহী কৰিব পাৰিব আৰু ইয়াৰে নকল নিবিদাকাৰীক দিয়া হ'ব। অৱশ্যে এই তুলনামূলক বিবৃতিত উল্লেখ থকা তথ্য/প্ৰমাণ-পত্ৰসমূহ নিবিদাৰ লগত পোৱা বুলিহে গণ্য হ'ব, কিন্তু এই তথ্য বা প্ৰমাণ-পত্ৰসমূহ শুদ্ধ বা অশুদ্ধ বুলি নিগমৰ কোনো স্বীকৃতি বুলি গণ্য নহ'ব।

৮. নিবিদা পৰীক্ষা আৰু নিৰ্বাচন

৮.১ নিবিদাকাৰীয়ে নিবিদাৰ লগত দাখিল কৰা তথ্যপাতি পৰীক্ষাৰ সময়ত প্ৰয়োজন হ'লে প্ৰমাণ-পত্ৰৰ মূল কপি পৰীক্ষাৰ বাবে নিগমে বান্ধি দিয়া সময়সীমাৰ ভিতৰত দাখিল কৰিব লাগিব।

৮.২ নিগমৰ নিৰ্দ্ধাৰিত সময়ত যদি প্ৰমাণ-পত্ৰৰ মূল কপি দাখিল নকৰে তেতিয়া তেনে নিবিদাকাৰীৰ নিবিদা নাকচ কৰা হ'ব। তদুপৰি মূল কপিৰ সৈতে নিবিদাৰ লগত দাখিল কৰা তথ্য-পাতি বা প্ৰমাণ-পত্ৰ অমিল হ'লে তেনে নিবিদাকাৰীৰ নিবিদা নাকচ হ'ব।

৮.৩ উচ্চতম হাৰৰ নিবিদা গ্ৰহণ কৰা হ'ব। নিগমে ধাৰ্য্য কৰা নিম্নতম ৰাজহতকৈ কম পৰিমাণৰ ৰাজহৰ নিবিদা গ্ৰহণ কৰা নহ'ব। অৱশ্যে নিগমৰ ধাৰ্য্যিত নিম্নতম ৰাজহৰ তিনি গুণতকৈ অধিক ৰাজহ নিবিদাকাৰীয়ে নিবিদাত আগবঢ়ালে নিৰ্বাচিত নিবিদাকাৰীয়ে মীন মহলখনৰ বাবে চুক্তিবদ্ধ হৈ দখল চমজি লোৱাৰ আগতে নিগমৰ ন্যূনতম ৰাজহৰ তিনি গুণতকৈ অধিকভাৱে আগবঢ়োৱা অতিৰিক্ত ৰাজহৰ বাবে নিগমৰ হকে ৰাষ্ট্ৰীয়কৃত বেংকৰ বেংক গেৰেণ্টি দিব লাগিব। সময়মতে সম্পূৰ্ণ ৰাজহ আদায় দিলে বেংক গেৰেণ্টি মুকলি কৰি দিয়া হ'ব।

৮.৪ এশ শতাংশ বৃত্তিগত মাছমৰীয়া লোকৰ দ্বাৰা গঠিত মীন সমবায় সমিতিয়ে দিয়া নিবিদা বৈধ হ'লে উক্ত নিবিদাৰ হাৰ উচ্চতম নিবিদাকাৰীৰ ৰাজহৰ পৰিমাণতকৈ ৭.৫ শতাংশ কম হ'লেও সেই সমিতিক অগ্ৰাধিকাৰ দি উচ্চতম ৰাজহৰ হাৰত নিৰ্বাচন কৰা হ'ব।

৮.৫ চৰ্ত ৮.৪ মৰ্মে একাধিক মীন সমবায় সমিতি যোগ্য হ'লে উচ্চতম হাৰ দিয়া সমিতিক প্ৰথমে নিৰ্বাচন কৰা হ'ব। উক্ত সমিতিয়ে পট্টনৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে বাকী যোগ্য সমবায় সমিতিক একাদিক্ৰমে পট্টনৰ প্ৰস্তাৱ দিয়া হ'ব।

৮.৬ কোনো কাৰণ নদৰ্শোৱাকৈ যিকোনো নিবিদা গ্ৰহণ বা প্ৰত্যাহাৰ কৰাৰ অধিকাৰ নিগমৰ থাকিব আৰু নিগমৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

*নিবিদাকাৰীৰ চহী*

৯. নিৰ্বাচিত নিবিদাকাৰীলৈ পট্টনৰ প্ৰস্তাৱ

৯.১ নিৰ্বাচিত নিবিদাকাৰীক নিগমে নিৰ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত নিগমে গ্ৰহণ কৰা প্ৰথম বছৰৰ ৰাজহৰ ২৫% ৰাজহ প্ৰথম কিস্তি হিচাবে নিগমত বেঙ্ক ড্ৰাফট্‌যোগে জমা দি নিগমৰ সৈতে চুক্তিবদ্ধ হ'বলৈ প্ৰস্তাৱ দিয়া হ'ব। বেঙ্ক ড্ৰাফট্‌খন "ASSAM FISHERIES DEVELOPMENT CORPORATION LTD"ৰ নামত হ'ব লাগিব।

১০. বিল পট্টনৰ চৰ্তসমূহ

১০.১ বিল পট্টনৰ সময়সীমা

১০.১.১ নিৰ্বাচিত নিবিদাকাৰীক প্ৰথম বিত্তীয় বৰ্ষৰ পট্টন দিয়া তাৰিখৰ পৰা সপ্তম বিত্তীয় বৰ্ষৰ ৩১ মাৰ্চলৈ মীনমহলখন পট্টন দিয়া হ'ব।

১০.১.২ পট্টনৰ সময়সীমা সাধাৰণতে বৃদ্ধি কৰা নহ'ব। অৱশ্যে নিৰ্বাচিত নিবিদাকাৰীৰ নিয়ন্ত্ৰণৰ বাহিৰৰ কোনো কাৰণত মীনমহলখনৰ পৰিচালনাত লোকচান হ'লে নিগমৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া আৰু সংশ্লিষ্ট জিলাৰ উপায়ুক্তৰ প্ৰতিবেদনৰ ভিত্তিত সকলো আনুষ্ঠানিকতা পালন সাপেক্ষে নিগমে এবছৰৰ বাবে পট্টনৰ ম্যাদ বৃদ্ধি কৰিব পাৰে। এবছৰতকৈ অধিক সময়ৰ বাবে মাথোন বেঙ্ক বা বিত্তীয় অনুষ্ঠানৰ ঋণ লৈ মীনমহলৰ উন্নয়নৰ কাম কৰাৰ ক্ষেত্ৰত পট্টনৰ সময়সীমা বৃদ্ধিৰ বিষয়টো চৰ্ত ১০.৪.১৩ আৰু ১০.৪.১৪ মৰ্মে পৰিচালিত হ'ব।

১০.২ বিলৰ দখল সম্পৰ্কে

১০.২.১ নিৰ্বাচিত নিবিদাকাৰীয়ে নিগমৰ লগত চুক্তি সম্পাদন কৰা সাপেক্ষে মীনমহলখন পট্টনৰ নিৰ্দেশ দিয়া হ'ব আৰু বিলখন যি অৱস্থাত আছে সেই অৱস্থাতে দখল স্বত্ত লাভ কৰিব।

১০.৩ ৰাজহ সম্পৰ্কীয়

১০.৩.১ নিগমে গ্ৰহণ কৰা প্ৰথম বছৰৰ ৰাজহৰ—

ক) ২৫% প্ৰথম কিস্তি হিচাবে নিগমে নিৰ্দ্ধাৰণ কৰি দিয়া সময়সীমাৰ ভিতৰত জমা দি চুক্তি কৰিব।

খ) ২৫% দ্বিতীয় কিস্তি হিচাবে অক্টোবৰ মাহৰ ভিতৰত।

গ) ২৫% তৃতীয় কিস্তি হিচাবে নৱেম্বৰ মাহৰ ভিতৰত।

ঘ) ২৫% চতুৰ্থ কিস্তি হিচাবে ডিচেম্বৰ মাহৰ ভিতৰত।

অৱশ্যে অন্তিম বছৰটোত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ কিস্তি যথাক্ৰমে ছেপ্টেম্বৰ, অক্টোবৰ আৰু নৱেম্বৰ মাহৰ ভিতৰত নিগমক জমা দিব লাগিব।

১০.৩.২ নিগমৰ জৰিয়তে মীন মহলখনৰ উন্নয়নৰ বাবে বেঙ্ক/বিত্তীয় প্ৰতিষ্ঠান আদিৰ পৰা ঋণ ল'লে উক্ত ঋণৰ কিস্তি সময়মতে জমা নিদিলে নিগমে পট্টন বাতিল কৰিব পাৰিব বা উচিত বিবেচনা কৰা যিকোনো আইনগত ব্যৱস্থা ল'ব পাৰিব।

*নিবিদাকাৰীৰ চহী*

১০.৩.৩ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কিস্তি আদায় নিদিলে নিৰ্বাচিত নিবিদাকাৰীৰ দায়িত্বত আৰু দায়বদ্ধতাত অনুজ্ঞাপত্ৰ বাতিল হ'ব আৰু নিগমে মীন মহলখন অন্যৰ যোগে পৰিচালনাৰ বিকল্প ব্যৱস্থা ল'ব পাৰিব তথা নিৰ্বাচিত নিবিদাকাৰীৰ আমানতৰ ধন বাজেয়াপ্ত হ'ব। অৱশ্যে নিগমে ইচ্ছা কৰিলে অনুজ্ঞাপত্ৰ বাতিল নকৰি ৰাজহ দিয়াৰ বাবে অতি বেছি এমাহৰ বাবে সময় দি অনাদায় ৰাজহৰ ওপৰত বছৰি ১০% সৰল সুদত জৰিমণা আৰোপ কৰাৰ অধিকাৰ থাকিব। এই বৰ্দ্ধিত এমাহৰ ভিতৰত ৰাজহ আদায় নিদিলে এই সময়সীমা পাৰ হোৱাৰ লগে লগে অনুজ্ঞাপত্ৰ বাতিল বুলি গণ্য হ'ব।

১০.৩.৪ পট্টনৰ সময়চোৱাত চুক্তিমতে প্ৰতি বছৰে কিস্তি পৰিশোধ কৰিলে সম্পূৰ্ণ ম্যাদ অন্তৰ পিছত এবছৰৰ বাবে নিগমে পট্টনৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে বিবেচনা কৰিব পাৰে।

১০.৩.৫ চৰ্ত ১০.১.২ ; ১০.৩.৪ আৰু ১০.৪.১৩ মৰ্মে পট্টনৰ ম্যাদ বৃদ্ধি কৰিলে শেহতীয়া পট্টনৰ সময়চোৱাৰ গড় ভিত্তিত বা শেষ বছৰৰ ৰাজহ, যিটোৰ পৰিমাণেই উচ্চ হয়, তাৰ ওপৰত প্ৰতি বছৰে ১০% বৃদ্ধি কৰি ৰাজহ নিৰ্দ্ধাৰণ কৰা হ'ব।

১০.৩.৬ মীনমহল পট্টনৰ সময়চোৱাত নিগমৰ সম্পূৰ্ণ ধনেৰে বা নিগমৰ জৰিয়তে প্ৰাপ্ত ধনেৰে মীন মহলখনৰ উন্নয়ন কৰিলে উন্নয়নৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প প্ৰতিবেদন মতে ৰাজহ নিৰ্দ্ধাৰণ কৰা হ'ব আৰু নিৰ্বাচিত নিবিদাকাৰীয়ে সেই ধৰণে পুনৰ নিৰ্দ্ধাৰণ কৰা ৰাজহ দিবলৈ বাধ্য থাকিব লাগিব। অৱশ্যে নিৰ্বাচিত নিবিদাকাৰীয়ে নিগমৰ লগত যুটীয়াভাবে মীনমহলৰ উন্নয়নত ধন বিনিয়োগ কৰিলে নিগমে বিনিয়োগ কৰা ধনৰ হাৰত প্ৰকল্প প্ৰতিবেদনত উল্লেখ কৰা ধৰণে ৰাজহ বৃদ্ধি কৰা হ'ব আৰু সেই হাৰত ৰাজহ দিবলৈ বাধ্য থাকিব লাগিব। অন্যথাই নিগমে নিৰ্বাচিত নিবিদাকাৰীৰ অনুজ্ঞাপত্ৰ বাতিল কৰি বিকল্প ব্যৱস্থা লোৱাত পূৰ্ণ অধিকাৰ থাকিব। এই ব্যৱস্থাৰে মীনমহল উন্নয়ন কৰোতে যথাসম্ভৱ স্থানীয় মাছমৰীয়াসকলক নিয়োজিত কৰাৰ ব্যৱস্থা ল'ব লাগিব আৰু নিৰ্বাচিত নিবিদাকাৰীয়ে মাছমৰীয়াক অতি কমেও মুঠ আয়ৰ ৫০ শতাংশ আদায় দিব লাগিব।

১০.৩.৭ নিগমে মীন মহলত উন্নয়ন কৰাৰ বাবে অসুবিধা হোৱা বুলি দৰ্শাই নিবিদাকাৰীয়ে ৰাজহ ৰেহাই দাবী কৰিব নোৱাৰিব।

১০.৪ বিল উন্নয়ন/সংৰক্ষণ সম্পৰ্কীয়

১০.৪.১ মীন মহলৰ উন্নয়ন বা ৰক্ষণাবেক্ষণৰ বাবে কৰিবলগীয়া ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত নিগমে বান্ধি দিয়া যিকোনো যুক্তিসংগত নিয়ম নিৰ্বাচিত নিবিদাকৰীয়ে মানি চলিব লাগিব।

১০.৪.২ নিৰ্বাচিত নিবিদাকাৰীয়ে কোনো অৱস্থাতেই মীন মহলৰ পৰা পানী সিঁচি অথবা জান-জুৰি আদি খান্দি পানী শুকুৱাই লোৱা, বিষাক্ত বা আন কোনো ৰাগিয়াল, ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰিব অথবা ডিনামাইট জাতীয় কোনো বিস্ফোৰকেৰে মাছ মাৰিব নোৱাৰিব আৰু তেনে কোনো দুষ্কাৰ্য কৰিলে জগৰীয়া হ'ব আৰু নিগমক ক্ষতিপূৰণ দিবলৈ বাধ্য থাকিব।

১০.৪.৩ বিলখন উৎপাদনক্ষম কৰি ৰখাত বিশেষকৈ মেটেকামুক্ত কৰি ৰখাত নিৰ্বাচিত নিবিদাকাৰীয়ে গুৰুত্ব দিব লাগিব অন্যথা নিগমে পট্টন বাতিল কৰাৰ অধিকাৰ থাকিব আৰু আমানত ধন বাজেয়াপ্ত কৰি বিলখন উৎপাদনক্ষম কৰাৰ কামত খৰচ কৰাৰ অধিকাৰ থাকিব।

*নিবিদাকাৰীৰ চহী*

১০.৪.৪ নিৰ্বাচিত নিবিদাকাৰীয়ে বিলৰ কোনো ধৰণৰ ক্ষতি কৰিব নোৱাৰিব আৰু মীন মহলৰ সীমাৰ ভিতৰত থকা কোনো মথাউৰি, জান-জুৰি, কালভাৰ্ট, শ্লুইজগেট আদিৰ ক্ষতি কৰিব নোৱাৰিব আৰু তেনে কৰিলে নিগমক ক্ষতিপূৰণ দিবলৈ বাধ্য থাকিব লাগিব আৰু নিগমে পট্টন বাতিল কৰিব পাৰিব।

১০.৪.৫ জৈৱ বৈচিত্ৰ আৰু মাছৰ প্ৰজাতিৰ বাবে মীনমহলৰ পানীকালিৰ ৫% সংৰক্ষণ কৰিব লাগিব আৰু এই অংশত কোনো পৰিস্থিতিতেই মাছ ধৰাকে আদি কৰি কোনো ধৰণৰ কাম নিৰ্বাচিত নিবিদাকাৰীয়ে কৰিব নোৱাৰিব।

১০.৪.৬ মীনমহলত জৰীপ কাৰ্য চলোৱাৰ আৰু অন্যান্য প্ৰাথমিক কাম-কাজ কৰা, মীনমহলৰ তথ্যপাতি সংগ্ৰহ কৰি উন্নয়নৰ আঁচনি ৰূপায়ণ কৰাৰ অধিকাৰ নিগমৰ থাকিব। নিগমৰ বিষয়া, কৰ্মচাৰীৰ এই সম্পৰ্কত মীনমহলত প্ৰৱেশ কৰাৰ পূৰ্ণ অধিকাৰ থাকিব আৰু নিৰ্বাচিত নিবিদাকাৰীয়ে প্ৰয়োজনীয় সকলো ধৰণৰ সহায়-সহযোগ আৱশ্যক অনুযায়ী আগবঢ়াবলৈ বাধ্য থাকিব।

১০.৪.৭ নিৰ্বাচিত নিবিদাকাৰীয়ে বিলৰ উন্নয়ন নিজা পুঁজিৰে কৰিব বিচাৰিলেও নিগমৰ সন্মতি সাপেক্ষেহে কৰিব পাৰিব।

১০.৪.৮ বিলৰ বছৰি আয়ৰ নিম্নতম ১৫% ধন নিৰ্বাচিত নিবিদাকাৰীয়ে বিল উন্নয়ন, বিলত মাছৰ পোনা আদি মেলি উৎপাদন বৃদ্ধিত ব্যয় কৰিব লাগিব। অৱশ্যে বিত্তীয় অনুষ্ঠানৰ পৰা ঋণ লৈ মীন মহল উন্নয়ন কৰা নিবিদাকাৰীৰ বাবে এই চৰ্ত প্ৰযোজ্য নহ'ব।

১০.৪.৯ মীন মহলৰ আবাদী মাটিত লাগিতিয়াৰ গছ-গছনি ৰোপণ কৰিব লাগিব।

১০.৪.১০ মাছৰ প্ৰজননৰ সময়ত অৰ্থাৎ ১ মে'ৰ পৰা ১৫ জুলাইৰ ভিতৰত নিৰ্বাচিত নিবিদাকাৰীয়ে বিলত মাছ ধৰা সম্পূৰ্ণৰূপে বন্ধ ৰাখিব লাগিব।

১০.৪.১১ অসম মীন অধিনিয়ম, ১৯৫৩ৰ বিধি ২৩নং দফা মতে নিষিদ্ধ কোনো জাল-জৰী বা পদ্ধতিৰে নিৰ্বাচিত নিবিদাকাৰীয়ে বিলত মাছ মাৰিব নোৱাৰিব। উক্ত অধিনিয়মৰ বিভিন্ন বিধি মতে নিষিদ্ধ কৰা সময়ত নিৰ্দিষ্ট কৰি দিয়া যিকোনো প্ৰজাতিৰ মাছ মাৰিব নোৱাৰিব।

১০.৪.১২ বিলৰ মাছ উৎপাদনৰ তথ্য প্ৰতি মাহে নিয়মিতভাৱে নিৰ্বাচিত নিবিদাকাৰীয়ে নিগমক দিব লাগিব। নিগমৰ কৰ্মচাৰীয়েও মাছ উৎপাদনৰ হিচাব ৰাখিব আৰু মাছ উৎপাদনৰ তথ্য-পাতি নিগমৰ বিষয়া/কৰ্মচাৰীয়ে বিচাৰিলে নিৰ্বাচিত নিবিদাকাৰীয়ে দিবলৈ বাধ্য থাকিব।

১০.৪.১৩ নিৰ্বাচিত নিবিদাকাৰীয়ে মীনমহল পট্টন লোৱাৰ প্ৰথম দুবছৰৰ ভিতৰত নিগমৰ অনুমোদিত প্ৰকল্প প্ৰতিবেদনৰ ভিত্তিত মীনমহল উন্নয়নৰ বাবে বান্ধ, পুখুৰী, শ্লুইচগেট, কালভাৰ্ট নিৰ্মাণ, সংলগ্ন জান উন্নয়ন, জলজ উদ্ভিদ পৰিস্কাৰ কৰা, বান্ধৰ পৰিৱৰ্তে বাঁহৰ বানা দিয়া, জাল-জৰী, নাওঁ, ইঞ্জিনযুক্ত নাওঁ নিৰ্মাণ বা ক্ৰয়ৰ বাবে বেঙ্ক/বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ লৈ প্ৰকল্প প্ৰতিবেদন মতে মীনমহলৰ মাছ উৎপাদন বৃদ্ধিৰ ব্যৱস্থা ল'লে নিবিদাকাৰীৰ আবেদনৰ ভিত্তিত তিনি বছৰৰ বাবে পট্টনৰ ম্যাদ বৃদ্ধি কৰা হ'ব।

১০.৪.১৪ নিৰ্বাচিত নিবিদাকাৰীয়ে মীনমহল উন্নয়নৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প প্ৰতিবেদন নিগমৰ অনুমোদন নোলোৱাকৈ বেঙ্ক/বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ ল'লে বা নিগমৰ অনুমোদিত প্ৰকল্প প্ৰতিবেদন মতে উন্নয়নৰ কাম নকৰিলে পট্টনৰ ম্যাদ বৃদ্ধি কৰা নহ'ব।

*নিবিদাকাৰীৰ চহী*

১১.৫ মাছমৰীয়াৰ স্বাৰ্থ সম্পৰ্কীয়

১১.৫.১ নিৰ্বাচিত নিবিদাকাৰীয়ে মাছমৰীয়াক কোনো ক্ষেত্ৰ তে মুঠ আয়ৰ ৫০%-তকৈ কম দিব নোৱাৰিব।

১১.৫.২ নিৰ্বাচিত নিবিদাকাৰীয়ে স্থানীয় অনুসূচীত জাতি আৰু বৰাক উপত্যকাত অনুসূচীত জাতিৰ উপৰিও মাইমল সম্প্ৰদায়ৰ মাছমৰীয়াক নিয়োগ কৰিব লাগিব আৰু মাছুৱৈৰ তালিকা নিগমক লিখিতভাবে দিব লাগিব। কোনো কাৰণতেই স্থানীয় মাছুৱৈক বাদ দি আন ঠাইৰ মাছুৱৈৰ দ্বাৰা মাছ মাৰিব নোৱাৰিব অথবা মাছমৰীয়াসকলক প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

১১.৫.৩ নিৰ্বাচিত নিবিদাকাৰীয়ে নিজৰ আৰু মীনমহলত নিয়োগ কৰিবলগীয়া মাছমৰীয়াসকলৰ মীন মহলখনত হ'ব পৰা যিকোনো দুৰ্যোগৰ বাবে নিজা খৰচত উপযুক্ত বীমা কৰাব লাগিব আৰু চুক্তি সম্পাদিত হোৱাৰ ১৫ দিনৰ ভিতৰত বীমা পলিচিৰ প্ৰত্যায়িত নকল নিগমক দাখিল কৰিব লাগিব।

১১.৬ উপভোক্তা সম্পৰ্কীয়

১১.৬.১ নিগমৰ মৎস্য উৎপাদন বৃদ্ধিৰ আঁচনিৰ সাফল্যমণ্ডিত কৰাৰ বাবে হওঁক বা ৰাইজৰ মাজত সুলভ মূল্যত মাছ যোগানৰ ব্যৱস্থা বজাৰত অব্যাহত ৰাখিবলৈ হওঁক, নিৰ্বাচিত নিবিদাকাৰীয়ে বিলত উৎপাদন হোৱা মাছৰ কিয়দাংশ বা সম্পূৰ্ণ মাছ নিগমৰ নিৰ্দেশ মৰ্মে মাজে সময়ে নিগমৰ লগত আলোচনা মৰ্মে নিৰ্দ্ধাৰণ কৰা হাৰত নিৰ্দিষ্ট ঠাইত বিক্ৰী কৰিবলৈ বাধ্য থাকিব লাগিব।

১১.৭ অন্যান্য

১১.৭.১ নিৰ্বাচিত নিবিদাকাৰী স্বত্ত মাছ ধৰাতেই মীনমহলত সীমিত থাকিব। বিলত উৎপন্ন হোৱা নিকৰি, অন্যান্য জলজ উদ্ভিদৰ ওপৰত কোনো স্বত্ত নাথাকিব। বিলত থকা গছ-গছনি, নিগমৰ ঘৰ, দমকল আদি অন্যান্য সম্পত্তিৰ ওপৰত নিৰ্বাচিত নিবিদাকাৰীৰ কোনো দাবী/অধিকাৰ নাথাকিব।

১১.৭.২ নিৰ্বাচিত নিবিদাকাৰীয়ে অন্য কোনো পক্ষৰ পৰা নিগমৰ মীনমহলৰ বাবদ কৰ আদায় কৰিব নোৱাৰিব।

১১.৭.৩ অন্য কোনো লোকক মাছ মৰাৰ বাবে মীনমহল বিক্ৰী নতুবা হস্তান্তৰ কৰিব নোৱাৰিব।

১১.৭.৪ নিগমৰ মীনমহলত নিৰ্বাচিত নিবিদাকাৰীৰ কাম-কাজ, পন্থা আদি নিৰীক্ষণ কৰাৰ অধিকাৰ নিগমৰ থাকিব।

১১.৭.৫ নিৰ্বাচিত নিবিদাকাৰীয়ে বানপানী, খৰাং, মাছৰ বেমাৰ, বলপূৰ্বকভাৱে অন্য লোকে মাছ মৰা, বিষক্ৰিয়া, চুৰি হোৱা, মীনমহলৰ বেদখল, দখল চমজি নোপোৱা নতুবা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ বাবে হ'ব পৰা লোকচানৰ বাবে নিগম দায়বদ্ধ নহ'ব আৰু এনে ঘটনা আদিৰ পৰা নিৰ্বাচিত নিবিদাকাৰী লোকচানৰ ভাগী হ'লেও এনেবোৰ অজুহাতত মীনমহলৰ ৰাজহ ৰেহাই নাপাব।

১১.৭.৬ নিৰ্বাচিত নিবিদাকাৰীয়ে মীনমহলৰ পট্টন পোৱাৰ পিছত পট্টনৰ সময়চোৱাত মীনমহলখনৰ যাতে কোনো ধৰণৰ বেদখল নহয় তাৰ প্ৰতি সজাগ থাকিব লাগিব আৰু বেদখলৰ কোনো বিষয় দৃষ্টিগোচৰ হ'লে তেওঁ দায়ীবদ্ধ থাকিব লাগিব আৰু নিগমে উচিত বিবেচিত কৰিলে পট্টন বাতিল কৰিব পাৰিব।

*নিবিদাকাৰীৰ চহী*

১১.৭.৭ এই চৰ্তাৱলীৰ যিকোনো চৰ্ত নিৰ্বাচিত নিবিদাকাৰীয়ে ভঙ্গ কৰিলে পট্টন বাতিল কৰাৰ অধিকাৰ নিগমত থাকিব।

১২. **চুক্তি সম্পৰ্কত মতান্তৰ ঃ**

১২.১ নিৰ্বাচিত নিবিদাকাৰী আৰু নিগমৰ মাজত কোনো বিবাদ বা দাবীৰ ক্ষেত্ৰৰ ক্ষেত্ৰত নতুবা নিৰ্বাচিত নিবিদাকাৰী আৰু কোনো তৃতীয় পক্ষৰ মাজত হোৱা কোনো বিবাদ বা দাবীৰ ক্ষেত্ৰত অসম মীন উন্নয়ন নিগমৰ সিদ্ধান্তৰ বাবে আবেদন কৰিব পাৰিব। এনে আবেদনৰ ওপৰত নিগমে লোৱা সিদ্ধান্তত নিৰ্বাচিত নিবিদাকাৰী সন্তুষ্ট নহ'লে বিষয়টো নিগমৰ অৰ্ন্ত নিয়ম ১১৬(১২) অনুসৰি "আৰ্বিট্ৰেচন"ৰ বাবে দিয়া হ'ব আৰু "আৰ্বিট্ৰেচন"ৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

১২.২ এই চুক্তিনামাৰ পৰা উদ্ভৱ হ'ব পৰা যিকোনো মোকৰ্দমা বা আইন সম্পৰ্কীয় ব্যৱস্থা একমাত্ৰ গুৱাহাটীত অৱস্থিত ন্যায়ালয়তহে ৰুজু কৰিব পাৰিব।

*নিবিদাকাৰীৰ চহী*

# নিবিদা প্র-পত্র

(নিবিদাকাৰী প্ৰত্যায়িত ফটোগ্ৰাফ)

১। নিবিদা দিব বিচৰা মীনমহলৰ নাম :

২। নিবিদাকাৰীৰ নাম (সমবায় সমিতি হ'লে সমিতিৰ নাম ও ঠিকনা) :

নাম :

গাঁও/চহৰ :

ডাকঘৰ : পিন কোড নং :

থানা : মোবাইল নং :

জিলা :

৩। নিবিদাকাৰীৰ পিতাৰ নাম (নিবিদাকাৰী সমবায় সমিতি হ'লে কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ পিতাৰ নাম) :

৪। সংলগ্ন কৰি দিয়া প্ৰমাণ-পত্ৰ :

ক) ধাৰ্যিত বাৰ্ষিক ন্যুনতম ৰাজহৰ ২৫ শতাংশ কল ডিপোজিট/বেংক ড্ৰাফট/ বেংকাৰ চেক আমানত হিচাবে বেঙ্কৰ নাম :

কল ডিপোজিট/বেংক ড্ৰাফট/বেংকাৰ চেকৰ নং আৰু তাৰিখ :

খ) বাকীজাই মুক্ত প্ৰমাণ-পত্ৰ (প্ৰত্যায়িত নকল) :

গ) জাতিগত প্ৰমাণ-পত্ৰ (প্ৰত্যায়িত নকল) :

ঘ) সমবায় সমিতি হ'লে পঞ্জীয়ণৰ প্ৰমাণ-পত্ৰ (প্ৰত্যায়িত নকল) :

ঙ) মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমাণ-পত্ৰ (প্ৰত্যায়িত নকল) :

চ) নিবিদাকাৰীৰ প্ৰত্যায়িত ফটো (সমিতি হ'লে কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো) :

৫। ৰাজহৰ পৰিমাণ : বাৰ্ষিক মুঠ (সংখ্যাৰে) :.................................................... টকা
(নিবিদা চৰ্তাবলীৰ ৪.৪নং দফা অনুগ্ৰহ কৰি চাই ৰাজহ উল্লেখ কৰিব) আখৰেৰে :..........................................................................

ঘোষণা : *মই ইয়াৰ দ্বাৰা ঘোষণা কৰো যে উৰ্দ্ধত দিয়া সকলো তথ্য-পাতি মই স্বইচ্ছাই নিজ জ্ঞান-বুদ্ধিৰে দিছো আৰু সকলো সত্য। মই অসম মীন উন্নয়ন নিগম লিমিটেডৰ নীতি-নিয়ম মানি চলিবলৈ বাধ্য থাকিম আৰু অসম মীন উন্নয়ন নিগম লিমিটেডে বিবেচিত কৰিলে মোৰ নিবিদা নাকচ কৰা নতুবা মোলৈ আগবঢ়োৱা প্ৰস্তাৱ বাতিল কৰিব পাৰিব আৰু আমানত হিচাবে দিয়া ধন বাজেয়াপ্ত কৰিব পাৰিব, যদিহে উপৰোক্ত তথ্য-পাতি কোনো ক্ষেত্ৰত ভুল বা অসত্য প্ৰমাণিত হয়। মই মীনমহলখনৰ বৰ্তমান অৱস্থা চাইচিতি জ্ঞান আৰু বুদ্ধিৰে বিবেচনা কৰি এই নিবিদা আগবঢ়াইছো আৰু এই ক্ষেত্ৰত পিছত কোনো সংশোধনৰ দাবী উত্থাপন নকৰো।*

সাক্ষীবাপীৰ চহী, নাম আৰু ঠিকনা :

১। নিবিদাকাৰীৰ চহী—

২। তাৰিখ—

**For Individual Tenderer Only**

(Affidavit to be sworn in on non-judicial stamp paper of Rs. 15/- only)

# AFFIDAVIT

I, Sri/Smt.......................................................... S/o, D/o, Sri/Smt/late.......................... aged about ........................... years by caste ................................, religion .......................... by profession ......................................................................., resident of Vill ........................ P.O. ........................................ Dist ............................... do hereby solemnly affirm and declare as follows :

1. That I am a citizen of India by birth and permanent resident of the aforesaid locality.
2. That I have read the Notice Inviting Tender dtd.................. floated by Assam Fisheries Development Corporation Ltd. and the Terms & Conditions attached therewith for settlement of .......................... fishery of............................. district and have fully undrstood the same.
3. That after fully understood the terms & conditions for settlement, I personally inspected............................ fishery and got fully apprised of the actual water area and other for the said fishery.
4. That I have quoted the rate in the tender for settlement of the said fishery taking into consideration of the local conditions & water area of the said fishery.
5. That I shall not claim and remission or reducation of revenue nor shall held responsible the Assam Fisheries Development Corporation Ltd. for any reason, whatsoever against the settlement & management of the said fishery.
6. That this affidavit will be sworn as a documentary, evidence to prove that I have signed the tender submitted for.......................... fishery and accepted the terms & conditions attached with the tender notice for ................................ fishery.
7. That the statements made above in paras are true to the best of my knowledge and belief & nothing has been concealed herewith.

**AND**

I sign this affidavit on.................................... day of......................... of...................... 200

Identified by

Signature of the Deponent

Advocate

Solemnly affirmed & declared before me by

Deponent who is identified by Sri.........................

Advocate...................... on............................ this

Day....................... of.....................

## Applicable for Society Tenderer

(Affidavit to be sworn in on non-judicial stamp paper of Rs. 15/- only)

# AFFIDAVIT

I, Sri/Smt........................................................... Bing the Presedent/Secretary of (Name of the Society.......................................................) S/o, D/o, Sri/Smt/late........................... aged about ............................ years by caste ................................., religion ........................... by profession ..............................................................., resident of Vill .................................. P.O. ........................................ Dist ................................ do hereby solemnly affirm and declare on behalf of the said Soiciety as follows :

1. That I am a citizen of India by birth and permanent resident of the aforesaid locality.
2. That I have read the Notice Inviting Tender dtd................... floated by Assam Fisheries Development Corporation Ltd. and the Terms & Conditions attached therewith for settlement of .......................... fishery of.............................. district and have fully undrstood the same.
3. That after fully understood the terms & conditions for settlement, I personally inspected............................ fishery and got fully apprised of the actual water area and other for the said fishery.
4. That I have quoted the rate in the tender for settlement of the said fishery taking into consideration of the local conditions & water area of the said fishery.
5. That I shall not claim and remission or reducation of revenue nor shall held responsible the Assam Fisheries Development Corporation Ltd. for any reason, whatsoever against the settlement & management of the said fishery.
6. That this affidavit will be sworn as a documentary, evidence to prove that I have signed the tender submitted for.......................... fishery and accepted the terms & conditions attached with the tender notice for .............................. fishery.
7. That the statements made above in paras are true to the best of my knowledge and belief & nothing has been concealed herewith.

**AND**

I sign this affidavit on.................................. day of......................... of..................... 200

Identified by

Signature of the Deponent
(Seal of the Society)

Advocate

Solemnly affirmed & declared before me by
Deponent who is identified by Sri......................
Advocate...................... on......................... this
Day........................ of....................